# অসম বিধান সভা

## তৰাবিহীন প্ৰশ্ন নং: ২৯২

## উত্তৰ দিয়া তাৰিখ: ১৩/০৭/২০২৬

বিষয় : চিকিৎসকৰ খালীপদ পূৰণ সম্পৰ্কে

ডঃ তপন দাস : বিধায়ক

মাননীয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ডিমৰীয়া সমষ্টিৰ পশু চিকিৎসালয়সমূহত চিকিৎসকৰ খালী পদ পূৰণ কেতিয়াৰ ভিতৰত কৰা হ'ব ?

খ) গাহৰি, গৰু আৰু হাঁহ-কুকুৰাৰ সংক্ৰামক ৰোগ প্ৰতিৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

গ) গাহৰি পালনৰ যোগেদি কিমান জনজাতীয় লোক উপকৃত হৈছে ? গাহৰি, হাঁহ-কুকুৰাৰ পালনৰ ক্ষেত্ৰত ৰাজসাহাৰ্য্যৰ কিবা ব্যৱস্থা আছে নেকি ?

ঘ) বহিঃৰাজ্যৰ পৰা অহা গাহৰিৰ বাবে স্থানীয় লোকৰ সমস্যা সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**: উত্তৰ :**

মাননীয় পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়া শ্ৰীমতী নীলিমা দেৱীয়ে উত্তৰ দিব :

**(ক)** ডিমৰীয়া সমষ্টিৰ পশু চিকিৎসালয়সমূহত চিকিৎসকৰ কোনো পদ খালী নাই।

**(খ)** ডিমৰীয়া সমষ্টিৰ লগতে সমগ্ৰ অসমত গাহৰি, গৰু আৰু হাঁহ কুকুৰাৰ সংক্ৰামক ৰোগ প্ৰতিৰোধৰ বাবে নিয়মীয়াকৈ প্ৰতিষেধক টিকাকৰণ কৰি থকা হৈছে। গৰু মহৰ বাবে চৰকা (FMD), লাম্পি চৰ্ম ৰোগ (LSD), ব্ৰুচেলা ৰোগৰ প্ৰতিষেধক, গাহৰিৰ বাবে ক্লাছিকেল ছোৱাইন ফিভাৰ (CSF) ৰোগৰ প্ৰতিষেধক, হাঁহ কুকুৰাৰ বাবে ৰাণীখেত আৰু ডাক প্লেগ ৰোগৰ প্ৰতিষেধক প্ৰদান কৰি থকা হৈছে। ইয়াৰ উপৰিও ডিমৰীয়া সমষ্টিৰ লগতে সমগ্ৰ অসমতে ৰোগ প্ৰতিৰোধৰ বাবে নিয়মীয়াকৈ সজাগতা সভা, চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি থকা হৈছে।

গাহৰিৰ আফ্ৰিকান ছোৱাইন ফিভাৰ (ASF) ৰোগ প্ৰতিৰোধৰ বাবে তলত উল্লেখ কৰা ব্যৱস্থা সমূহ লোৱা হৈছে-

১) আদৰ্শ পৰিচালনা পদ্ধতি (SOP) আৰু পৰামৰ্শাৱলী (Advisory) ৰ জৰিয়তে গাহৰি পামত লব লগীয়া জৈৱ-সুৰক্ষাৰ বিভিন্ন পন্থাৰ নীতি নিৰ্দেশনা প্ৰকাশ কৰা হৈছে ।

২) গাহৰি পামত লব লগীয়া জৈৱ- সুৰক্ষাৰ বিভিন্ন Leaflet আৰু Booklet প্ৰকাশ কৰি গাহৰি পালকৰ মাজত বিতৰণ কৰা হৈছে।

৩) চৰকাৰী পশু চিকিৎসালয় আৰু প্ৰাথমিক পশু স্বাস্থ্য কেন্দ্ৰসমূহৰ উপৰিও ভ্ৰাম্যমান পশুচিকিৎসা গোটৰ যোগেদি বিনামূলীয়াকৈ কৃষকৰ দুৱাৰদলিত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

৪) গাহৰি পামসমূহ বীজাণুমুক্ত কৰি ৰাখিবৰ বাবে বীজাণুনাশক বিতৰণ আৰু ব্যৱহাৰ কৰা হৈছে।

৫) নিয়মীয়াকৈ ক্লাছিকেল ছোৱাইন ফিভাৰ (C.S.F) ৰোগৰ টিকাকৰণ কৰি থকা হৈছে।

৬) গাহৰিকে আদি কৰি যিকোনো ৰোগৰ ব্যাধিৰ বাবে উত্তৰ পূৰ্বাঞ্চল ৰাজ্যিক ৰোগ নিৰূপন পৰীক্ষাগাৰ (NERDDL)-ত বিভিন্ন নমুনা পৰীক্ষা কৰাৰ ব্যবস্থা কৰা হৈছে।

ইয়াৰ উপৰিও বিভাগে হাঁহ কুকুৰাৰ সংক্ৰামক ৰোগ প্ৰতিৰোধৰ বাবেও জৈৱ সুৰক্ষাৰ নীতি নিৰ্দেশনা সামৰি এখন আদৰ্শ পৰিচালনা পদ্ধতি (SOP) ইতিমধ্যে প্ৰকাশ কৰিছে।

**(গ)** ১)AMMEMS-CMSGUY আঁচনিৰ অধীনত-

ৰাজ্য খনত বৰ্তমানলৈকে ১২০০ গৰাকী জনজাতীয় হিতাধিকাৰিক এই আচঁনিৰ অধীনত উপকৃত কৰা হৈছে।

২)ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীৰ ধ্বজাবাহী (CM Flagship) শীৰ্ষক এখনি ৰাজসাহাৰ্য্যযুক্ত আচঁনি ৰূপায়ণ কৰি থকা হৈছে।

অসম পশুপালন আৰু পশুচিকিৎসা বিভাগৰ অধীনত অসম পশুধন আৰু হাঁহ কুকুৰা নিগমে গাহৰি পালনৰ ক্ষেত্ৰত ২২-২৩ বিত্তীয় বৰ্ষৰ পৰা ২৫-২৬ বিত্তীয় বৰ্ষলৈ মুঠ ১৩৩ জন জনজাতীয় লোকক ৰাজসাহায্য প্ৰদানৰ যোগেদি উপকৃত কৰিছে।

গাহৰি আৰু হাঁহ-কুকুৰা পালন ক্ষেত্ৰত ৰাজসাহাৰ্য্যৰ ব্যৱস্থা আছে। এই ক্ষেত্ৰত অসম পশুপালন আৰু পশুচিকিৎসা বিভাগৰ অধীনত অসম পশুধন আৰু হাঁহ কুকুৰা নিগমে মুখ্যমন্ত্ৰীৰ ফ্লেগশ্বিপ (CM Flagship) শীৰ্ষক এখনি ঋণ-সংযুক্ত ৰাজসাহাৰ্য্য প্ৰদান আচঁনি ৰূপায়ন কৰি আহিছে।

এই আচঁনিৰ অধীনত –

i). Self Sufficiency in Pork production in Assam-

ক) গাহৰি প্ৰজনন পাম স্থাপন

খ) গাহৰি মাংস উৎপাদন পাম স্থাপন

ii. Self Sufficiency in Egg production in Assam

ক) বানিজ্যিক লেয়াৰ কুকুৰা পাম স্থাপন

**(ঘ)** বহিঃ ৰাজ্যৰ পৰা অহা গাহৰিৰ শ্ৰীৰামপুৰ আন্তঃ ৰাজ্যিক Check Gate ত তেজৰ নমুনা সংগ্ৰহ কৰি উত্তৰ পূৰ্বাঞ্চল ৰাজ্যিক ৰোগ নিৰূপন পৰীক্ষাগাৰ (NERDDL) লৈ পঠিয়াই ASF বীজাণুৰ উপস্থিতিৰ পৰীক্ষা কৰা হয়। নিগেটিভ ওলালেহে সেই গাহৰি অসমৰ মাজেৰে উত্তৰ পূবৰ আন ৰাজ্যলৈ অসমত ননমোৱাকৈ পাৰ হবলৈ অনুমতি দিয়া হয়। সেয়েহে, বহিঃ ৰাজ্যৰ পৰা অহা গাহৰিৰ বাবে স্থানীয় লোকৰ কোনো সমস্যা হোৱা নাই।

গাহৰি সৰবৰাহৰ ক্ষেত্ৰত এখন আদৰ্শ পৰিচালনা পদ্ধতি (SOP) বিভাগে ইতিমধ্যে জাৰি কৰিছে।

***উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰন কৰা হৈছে***

********